# ভাৰতৰ জি-২০  অধক্ষ্যতাৰ সময়ত জি-২০ৰ ১০০ সংখ্যক বৈঠক

এপ্ৰিল 17, 2023

ভাৰতে আজিৰ দিনটো জি-20 অধক্ষ্যতাৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বাৰাণসীত জি-20ৰ 100 সংখ্যক বৈঠকত মুখ্য কৃষিবিজ্ঞানীসকলৰ সৈতে এখন বৈঠক আয়োজন কৰিছে। আজি গোৱাত দ্বিতীয় স্বাস্থ্য কাৰ্য দলৰ, হায়দৰাবাদত দ্বিতীয় ডিজিটেল অৰ্থনীতিৰ কাৰ্য দলৰ আৰু শ্বিলংত মহাকাশ অৰ্থনীতিৰ নেতাসকলৰ পূৰ্বসূৰী বৈঠকৰো আয়োজন কৰা হৈছে।

2. 2022 চনৰ 16 নৱেম্বৰত জি-20 ৰ বালিত আয়োজিত শীৰ্ষ সন্মিলনত জি-20 ৰ অধক্ষ্যতাৰ দায়িত্ব প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক গতাই দিয়াৰ পিছত ভাৰতৰ বছৰজোৰা জি-20 অধক্ষ্যতা 2022 চনৰ 1 ডিচেম্বৰৰ পৰা আৰম্ভ হয় আৰু 2023 চনৰ 30 নৱেম্বৰলৈকে চলি থাকিব। ইয়াৰ পূৰ্বে 2022 চনৰ 8 নৱেম্বৰত প্ৰধানমন্ত্ৰীয়ে জি-20 ৰ প্ৰতীকচিহ্ন  মুকলি কৰিছিল আৰু ভাৰতৰ জি-20 অধক্ষ্যতাৰ বিষয়বস্তু – "বসুধৈৱ কুটুম্বকম"- "এক পৃথিৱী,এক পৰিয়াল,এক ভৱিষ্যত" উন্মোচন কৰিছিল। ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ ৰঙেৰে ডিজাইন কৰা জি-20 প্ৰতীকচিহ্নটোৱে আমাৰ গ্ৰহ সমৰ্থক দৃষ্টিভংগী আৰু প্ৰত্যাহ্বানৰ মাজত বিকাশৰ প্ৰতীক নিৰ্দেশ কৰিছে।

3. বিশজনীয়া দল(জি-20)ত 29খন দেশ (আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, ব্ৰাজিল, কানাডা, চীন, ফ্ৰান্স, জাৰ্মানী, ভাৰত, ইণ্ডোনেছিয়া, ইটালী, জাপান, কোৰিয়া গণৰাজ্য, মেক্সিকো, ৰাছিয়া, চৌদি আৰব, দক্ষিণ আফ্ৰিকা, তুৰ্কি,গ্ৰেটব্ৰিটেইন, আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ) আৰু ইউৰোপীয় সংঘ অন্তৰ্ভূক্ত হৈ আছে। জি-20 ৰ সদস্য দেশসমূহে বিশ্বৰ জিডিপিৰ প্ৰায় 85%, বিশ্ব বাণিজ্যৰ ৭৫%তকৈ অধিক আৰু বিশ্বৰ জনসংখ্যাৰ প্ৰায় দুই তৃতীয়াংশক প্ৰতিনিধিত্ব কৰে।

অধক্ষ্যতাৰ সময়ত ব্যক্তিগতভাৱে কৰা অংশগ্ৰহণ এতিয়ালৈকে সৰ্বাধিক। 110 টাতকৈও অধিক জাতিৰ পৰা 12,300 ৰো অধিক প্ৰতিনিধিয়ে এতিয়ালৈকে জি-20 সম্পৰ্কীয় বৈঠকত অংশগ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত জি-20ৰ সদস্য, 9খন আমন্ত্ৰিত দেশ আৰু 14টা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ অংশগ্ৰহণ অন্তৰ্ভুক্ত হৈ আছে। আজিলৈকে 28 খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সামৰি 41খন চহৰত জি-20ৰ 100খন বৈঠক অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পূৰ্ণ সহযোগিতা আৰু অংশগ্ৰহণেৰে সমগ্ৰ ভাৰতবৰ্ষত বিস্তৃতভাৱে বৈঠকসমূহৰ আয়োজন কৰা হৈছে। আমাৰ অধক্ষ্যতাৰ সময়ছোৱাত ভাৰতে সমগ্ৰ ভাৰতৰ প্ৰায় 60 খন চহৰত জি-20 সম্পৰ্কীয় 200 ৰো অধিক বৈঠকৰ বাবে বিদেশী প্ৰতিনিধিক আতিথ্য প্ৰদান কৰিব, যিটো যিকোনো জি-20 ৰ অধক্ষ্যতাৰ ভৌগোলিক বিস্তাৰৰ ভিতৰত আটাইতকৈ ডাঙৰ। 13 টা

শ্বেৰ্পা ট্ৰেক কাৰ্যদল, ৪ টা অৰ্থনীতিৰ ট্ৰেক কাৰ্যদল, 11 টা প্ৰতিশ্ৰুতিভিত্তিক গোট আৰু 4 টা প্ৰাথমিক উদ্যোগে গুৰুত্বপূৰ্ণ পাৰস্পৰিক ক্ৰিয়াৰ কাম আৰম্ভ কৰিছে। আমাৰ জি-20 অধ্যক্ষ্যতাত দুৰ্যোগৰ বিপদ হ্ৰাসৰ ওপৰত এটা নতুন কৰ্মগোট (ডি আৰ আৰ), এটা নতুন প্ৰতিশ্ৰুতিভিত্তিক গোট "ষ্টাৰ্টআপ 20" আৰু এটা নতুন উদ্যোগ মুখ্য বিজ্ঞান উপদেষ্টাসকলৰ ঘূৰণীয়া মেজমেল (চি এছ এ আৰ) কাৰ্যকৰী কৰা হৈছে।11 টা প্ৰতিশ্ৰুতিভিত্তিক গোটৰ মাজত আলোচনাৰ বাবে এক মঞ্চ প্ৰদান কৰে ব্যক্তিগত খণ্ড, শিক্ষাবিদ, নাগৰিক সমাজ, যুৱ আৰু মহিলাৰ লগতে সংসদ, নিৰীক্ষণ কৰ্তৃপক্ষ আৰু নগৰ প্ৰশাসনকে ধৰি প্ৰতিষ্ঠানসমূহ।

11. আজিলৈকে তিনিখন মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হৈছে। 2023 চনৰ 24-25 ফেব্ৰুৱাৰীত বেংগালুৰুত প্ৰথমখন বিত্তমন্ত্ৰী আৰু কেন্দ্ৰীয় বেংকৰ গৱৰ্ণৰৰ বৈঠক, 1-2 মাৰ্চত নতুন দিল্লীত জি-20 বৈদেশিক মন্ত্ৰীৰ বৈঠক, দ্বিতীয়খন এফএমচিবিজি বৈঠক অনুষ্ঠিত হয় উদয়পুৰ (4-7 ডিচেম্বৰ 2022) আৰু কুমাৰকম (30 মাৰ্চ - 2 এপ্ৰিল 2023)ত দুখন শ্বেৰ্পা বৈঠক অনুষ্ঠিত হৈছে। এফএমচিবিজি, এফএমএম আৰু শ্বেৰ্পাৰ বৈঠকত মন্ত্ৰী পৰ্যায়ৰ গণ্যমান্য ব্যক্তিৰ সৈতে সকলো প্ৰতিনিধি দলৰ লগতে উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ ব্যক্তিগতভাৱে কৰা অংশগ্ৰহণে অভিলেখ সৃষ্টি কৰা কৰে। 28 জন বৈদেশিক মন্ত্ৰীয়ে (18 গৰাকী জি-20 সদস্য, 9 খন অতিথি দেশ আৰু এ ইউৰ অধ্যক্ষ – ক'ম'ৰ'ছৰ পৰা) আৰু ২ জন উপ-বিদেশ মন্ত্ৰীয়ে (জাপান আৰু কোৰিয়া গণৰাজ্যৰ পৰা) এফএমএমত অংশগ্ৰহণ কৰে। এই মন্ত্ৰীসভাৰ বৈঠকসমূহৰ সামৰণি পৰে গুৰুত্বপূৰ্ণ ফলাফলৰ নথিপত্ৰৰ সৈতে যিয়ে জি-২০ৰ ভাগ-বতৰা কৰা অগ্ৰাধিকাৰৰ ওপৰত সহমতৰ পোষকতা কৰে। ইয়াৰ ভিতৰত এমডিবি সংস্কাৰ আৰু প্ৰথম এফএমচিবিজিত ঋণ চিকিৎসাৰ ওপৰত বিশেষজ্ঞ গোট গঠনৰ ওপৰত, আৰু বহুপক্ষীয় সংস্কাৰ, উন্নয়নমূলক সহযোগিতা, খাদ্য আৰু শক্তি সুৰক্ষা, সন্ত্ৰাসবাদ বিৰোধী, নতুন আৰু আহিব পৰা ভাবুকি, বিশ্বব্যাপী দক্ষতা মানচিত্ৰকৰণ আৰু এফএমএমত দুৰ্যোগৰ আশংকা হ্ৰাসৰ ওপৰত সন্মতিসূচক আলোচনা ।

6. অধক্ষ্যতাৰ সময়ছোৱাত ভাৰতে গ্ল'বেল চাউথ আৰু উন্নয়নশীল দেশসমূহৰ কণ্ঠ আৰু উদ্বেগকো বৃদ্ধি কৰি আছে। 2023 চনৰ জানুৱাৰী মাহত প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা ভইচ অৱ গ্ল'বেল চাউথ শীৰ্ষ সন্মিলনত 125 খন দেশে অংশগ্ৰহণ কৰে, য'ত 18 খন ৰাষ্ট্ৰৰ মুৰব্বী/চৰকাৰী পৰ্যায়ৰ বিষয়া আৰু অন্যান্য মন্ত্ৰী পৰ্যায়ৰ লোকে অংশগ্ৰহণ কৰে। তদুপৰি ভাৰতৰ চলি থকা অধক্ষ্যতাৰ সময়ছোৱাত আফ্ৰিকাৰ পৰা অংশগ্ৰহণ এতিয়ালৈকে সৰ্বাধিক, য'ত দক্ষিণ আফ্ৰিকা (জি-২০ সদস্য), মৰিচাছ, ইজিপ্ত, নাইজেৰিয়া, এইউৰ অধ্যক্ষ - ক'মৰ'ছ, আৰু অ'ডিএ-নেপাড অন্তৰ্ভুক্ত।

7. ভাৰতৰ বৈচিত্ৰ্য, সৰ্বাংগীন পৰম্পৰা আৰু সাংস্কৃতিক সমৃদ্ধি প্ৰদৰ্শন কৰা অনন্য অভিজ্ঞতাসমূহো ভ্ৰমণকাৰী প্ৰতিনিধিসকলৰ কাৰ্যসূচীৰ এক অবিচ্ছেদ্য অংগ। বাজৰা ভিত্তিক খাদ্যসমূহ খাদ্যতালিকাত অন্তৰ্ভুক্ত কৰা হৈছে, আৰু বহুতো সাংস্কৃতিক পৰিৱেশন আৰু ভ্ৰমণৰ আয়োজন কৰা হৈছে। 7 হাজাৰৰো অধিক শিল্পীৰ অংশগ্ৰহণেৰে 150 টাতকৈও অধিক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে, য'ত স্থানীয় আৰু ৰাষ্ট্ৰীয় শিল্প প্ৰকাৰসমূহ প্ৰদৰ্শন কৰা

হৈছে। সমগ্ৰ জাতি আৰু সমগ্ৰ সমাজৰ দৃষ্টিভংগীৰে সক্ৰিয় জনভগীদাৰী কাৰ্যসূচীও একেলগে অনুষ্ঠিত হৈ আছে, যাৰ ফলত ভাৰতৰ জি-20 অধক্ষ্যতা "জনসাধাৰণৰ জি-20" হিচাপে পৰিগণিত হৈছে।ইয়াৰ ভিতৰত জি-20 বিশ্ববিদ্যালয় সংযোগী বক্তৃতা শৃংখলা, মডেল জি-20ৰ সভা, বিদ্যালয়/বিশ্ববিদ্যালয়ত বিশেষ জি-20 অধিবেশন, ডাওঁৰ উৎসৱত জি-20 পেভিলিয়ন, কুইজ প্ৰতিযোগিতা, চেলফি প্ৰতিযোগিতা, #G20India কাহিনী, আৰু নাগৰিক সমাজ আৰু ব্যক্তিগত খণ্ডৰ দ্বাৰা G20-বিষয়বস্তুৰ আন শ শ অনুষ্ঠান আছে।

8. ভাৰতৰ চলি থকা জি-20 অধক্ষ্যতাৰ সময়ত গুৰুত্বপূৰ্ণ আলোচনাত সন্মিলিত আৰু স্থিতিস্থাপক বৃদ্ধিৰ দৰে বহল অগ্ৰাধিকাৰ ক্ষেত্ৰসমূহ অন্তৰ্ভুক্ত কৰা হৈছে; এছডিজি, সেউজ উন্নয়ন আৰু পৰিৱেশৰ বাবে জীৱনশৈলী (লাইএফই)ৰ ওপৰত অগ্ৰগতি; প্ৰযুক্তিগত ৰূপান্তৰ আৰু ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনি; বহুপক্ষীয় প্ৰতিষ্ঠানসমূহৰ সংস্কাৰ; মহিলাৰ নেতৃত্বত উন্নয়ন; আৰু আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সম্প্ৰীতি আদি।

9. 9-10 ছেপ্টেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া নেতা সন্মিলনৰ গঠনত ভাৰতৰ জি-20 অধক্ষ্যতাই ইয়াৰ সৰ্বাংগীন, অভিলাষী, কাৰ্য্যমুখী আৰু নিৰ্ণায়ক কাৰ্যসূচীৰ বাবে জি-20 ৰ সদস্য আৰু অতিথি দেশসমূহৰ পৰা অপৰিসীম সমৰ্থন লাভ কৰিছে। ভাৰতৰ জি-20 বৈঠকত ব্যাপক, বৃহৎ পৰিসৰ আৰু উৎসাহী অংশগ্ৰহণে ভাৰতৰ অধক্ষ্যতাৰ অধীনত অনুষ্ঠিত হোৱা জি-20 বৈঠকৰ সদস্য আৰু আমন্ত্ৰিতসকলে সমসাময়িক বিশ্বজনীন প্ৰত্যাহ্বানসমূহ সামূহিকভাৱে মোকাবিলা কৰিবলৈ একত্ৰিত হোৱাৰ সাক্ষ্য বহন কৰিব ।

**বৰ্ত্তমানলৈকে হোৱা বৈঠকসমূহ:**

| | |
|---|---|
| **বৈঠকৰসংখ্যা ( 14 এপ্ৰিল 2023লৈ)** | |
| কৰ্মৰতগোটআৰুমন্ত্ৰীসম্বন্ধীয় | 39 |
| জড়িতকৰণগোটআৰুউদ্যোগ | 23 |
| জড়িত, সমান্তৰাল জি20 অনুষ্ঠান | 35 |
| **মুঠ** | **97** |
| **স্থানৰতথ্য (Venue Data (17 এপ্ৰিল 2023লৈবৈঠকসমূহৰবাবে)** | |
| কেলেণ্ডাৰতস্থানসমূহৰমুঠসংখ্যা | **60** |

| | |
|---|---|
| এতিয়ালৈসাঙুৰিলোৱাচহৰৰসংখ্যা | **41** |
| সাঙুৰিলোৱাঅতুলনীয়শিক্ষামূলকভ্ৰমণৰস্থানৰসংখ্যা | **18** |
| এতিয়ালৈসাঙুৰিলোৱাৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলৰসংখ্যা | **28** |
| **14 এপ্ৰিল 2023লৈঅংশগ্ৰহণৰসাৰাংশ** (প্ৰতিনিধিপঞ্জীয়নৰওপৰতআধাৰিত) | |
| মুঠকৰ্মৰতগোটআৰুমন্ত্ৰীসম্বন্ধীয় | 4,931 |
| জড়িত, সমান্তৰাল জি20 অনুষ্ঠান | 4,263 |
| জড়িতকৰণগোটআৰুউদ্যোগ | 3,146 |
| **মুঠ** | **12,340** |
| **প্ৰতিনিধিত্বকৰাৰাষ্ট্ৰৰসংক্যা** | **111** |

| ক্ৰমিকনং | বৈঠক | তাৰিখ | চহৰ |
|---|---|---|---|
| **1** | 1ম শ্বেৰ্পাবৈঠক | 4-7 ডিচেম্বৰ | উদয়পুৰ |
| **2** | এছডিজিৰঋপায়ণত্বৰাণ্বিতকৰণ | 4 ডিচেম্বৰ | উদয়পুৰ |
| **3** | 1ম বিকাশকৰ্মৰতগোটৰ বৈঠক | 13-16 ডিচেম্বৰ | মুম্বাই |
| **4** | বিকাশৰবাবেতথ্য | 13 ডিচেম্বৰ | মুম্বাই |
| **5** | 1ম বিত্তীয়আৰুকেন্দ্ৰীৰ বেংকৰপ্ৰতিনিধিৰবৈঠক | 13-15 ডিচেম্বৰ | বেংগালুৰু |
| **6** | 21 শতিকাৰগোলকীয়প্ৰত্যাহ্বানসমূহকসম্বোধনকৰিবহুপক্ষীয়বিকাশমূলকবেংকসমূহশক্তিশালীকৰণ | 14 ডিচেম্বৰ | বেংগালুৰু |

| | | | |
|---|---|---|---|
| **7** | 1ম আন্তঃগাঠনিকৰ্মৰত গোটৰবৈঠক | 16-17 ডিচেম্বৰ | বেংগালুৰু |
| **8** | খাদ্যআৰুসুৰক্ষাৰমেক্ৰ’অৰ্থনৈতিকপ্ৰয়োগ | 16 ডিচেম্বৰ | বেংগালুৰু |
| **9** | 1ম যৌথস্বাস্থ্য-বিত্তকাৰ্যবলৰবৈঠক | 20 ডিচেম্বৰ | ভাৰ্চুৱেল |
| **10** | 1ম বিত্তীয়সংযোজনৰ গোলকীয়অংশীদাৰিত্বৰবৈঠক | 9-11 জানুৱাৰী | কলকাতা |
| **11** | বিত্তীয়সংযোজনৰবাবেডিজিটেলনতুনত্ব | 9 জানুৱাৰী | কলকাতা |
| **12** | থিংক 20 সূচনাবৈঠক | 13-14 জানুৱাৰী | দিল্লী |
| **13** | 1মআন্তঃগাঠনিকৰ্মৰতগোটৰবৈঠক | 16-17 জানুৱাৰী | পুনে |
| **14** | কাইলৈৰবিত্তযোগানকাৰীচহৰ | 16 জানুৱাৰী | পুনে |
| **15** | 1ম স্বাস্থ্যকৰ্মৰতগোটৰ বৈঠক | 18-20 জানুৱাৰী | তিৰুৱন্তপুৰম |
| **16** | স্বাস্থ্যমানদণ্ডৰপৰ্যটন | 19 জানুৱাৰী | তিৰুৱন্তপুৰম |
| **17** | বি20 আৰম্ভণিৰবৈঠক | 22-24 জানুৱাৰী | গান্ধীনগৰ |
| **18** | ষ্টাৰ্টআপ20 আৰম্ভণিৰবৈঠক | 28-29 জানুৱাৰী | হাইদৰাবাদ |
| **19** | চায়েঞ্চ20 আৰম্ভণিৰবৈঠক | 30-31 জানুৱাৰী | পুডুচেৰী |

| | | | |
|---|---|---|---|
| **20** | 1ম আন্তৰ্জাতিকবিত্তীয় গাঠনিকৰ্মৰতগোটৰ বৈঠক | 30-31 জানুৱাৰী | চণ্ডীগড় |
| **21** | কেন্দ্ৰীয়বেংকৰডিজিটেলমুদ্ৰা, সুযোগআৰুপ্ৰত্যাহ্বান | 30 জানুৱাৰী | চণ্ডীগড় |
| **22** | 1ম শিক্ষাকৰ্মৰতগোটৰ বৈঠক | 31 জানুৱাৰী-2 ফেব্ৰুৱাৰী | চেন্নাই |
| **23** | শিক্ষাতডিজিটেলপ্ৰযুক্তিৰভূমিকা | 31 জানুৱাৰী | চেন্নাই |
| **24** | 1ম বহনক্ষমবিত্তীয়কৰ্মগোটৰবৈঠক | 2-3 ফেব্ৰুৱাৰী | গুৱাহাটী |
| **25** | **বহনক্ষমঅৰ্থনীতিস্কেলআপকৰিবলৈপৰিস্থিতিতন্ত্ৰৰবহনক্ষমতাগঠন** | **2 ফেব্ৰুৱাৰী** | **গুৱাহাটী** |
| **26** | 1ম নিয়োগকৰ্মগোটৰবৈঠক | 2-4 ফেব্ৰুৱাৰী | যোধপুৰ |
| **27** | বিশ্বব্যাপীদক্ষতাআৰুঅৰ্হতাৰসমন্বয়ৰবাবেকৌশলঅন্বেষণকৰাআৰুসাধাৰণদক্ষতাশ্ৰেণীবিভাজনৰবাবেএটাআন্তঃগাঠনিবিকশিতকৰা | 2 ফেব্ৰুৱাৰী | যোধপুৰ |
| **28** | 1ম শক্তিপৰিৱৰ্তনকৰ্মগোটৰবৈঠক | 5-7 ফেব্ৰুৱাৰী | বেংগালুৰু |

| | | | |
|---|---|---|---|
| **29** | কাৰ্বনধাৰণ, ব্যৱহাৰআৰুসংৰক্ষণ(CCUS) | 5 ফেব্ৰুৱাৰী | বেংগালুৰু |
| **30** | য়ুথ 20 আৰম্ভণিসভা | 6-8 ফেব্ৰুৱাৰী | গুৱাহাটী |
| **31** | 1ম পৰ্যটনকৰ্মগোটৰবৈঠক | 7-9 ফেব্ৰুৱাৰী | ৰণঅৰকচ্ছ |
| **32** | সম্প্ৰদায়সবলীকৰণআৰুপ্ৰত্নতাত্ত্বিকপৰ্যটনৰবাবেগ্ৰাম্যপৰ্যটন | 7 ফেব্ৰুৱাৰী | ৰণঅৰকচ্ছ |
| **33** | RIIG আৰম্ভণি (SERB) | 8-9 ফেব্ৰুৱাৰী | কলকাতা |
| **34** | আৰ্বান 20 আৰম্ভণিবৈঠক | 9-10 ফেব্ৰুৱাৰী | আহমেদাবাদ |
| **35** | 1ম পৰিৱেশআৰুজলবায়ুবহনক্ষমতাকৰ্মগোটৰবৈঠক | 9-11 ফেব্ৰুৱাৰী | বেংগালুৰু |
| **36** | খননপ্ৰভাৱিতঅঞ্চলৰওপৰতগুৰুত্বআৰোপকৰিঅৱক্ষয়ীভূ-প্ৰকৃতিৰপুনৰুদ্ধাৰ | 9 ফেব্ৰুৱাৰী | বেংগালুৰু |
| **37** | জি20 শক্তিশালীকৰণৰআৰম্ভণি | 11-12 ফেব্ৰুৱাৰী | আগ্ৰা |
| **38** | 1ম কৃষিপ্ৰতিনিধিৰবৈঠক | 13-15 ফেব্ৰুৱাৰী | ইন্দোৰ |
| **39** | কৃষিক্ষেত্ৰতজি-20পদক্ষেপৰষ্টকগ্ৰহণ | 13 ফেব্ৰুৱাৰী | ইন্দোৰ |
| **40** | 1মডিজিটেলঅৰ্থনীতিকৰ্মগোটৰবৈঠক | 13-15 ফেব্ৰুৱাৰী | লক্ষ্ণৌ |

| | | | |
|---|---|---|---|
| **41** | ডিজিটেলৰাজহুৱা আন্তঃগাঁথনিআৰুই উপিৰডিজিটেলপদক্ষেপ | 13 ফেব্ৰুৱাৰী | লক্ষ্নৌ |
| **42** | বি20 অনুষ্ঠান | 17-18 ফেব্ৰুৱাৰী | ইম্ফল |
| **43** | 2য় বিত্তআৰুকেন্দ্ৰীয়বেংকৰপ্ৰতিনিধিবৈঠক | 22-23 ফেব্ৰুৱাৰী | বেংগালুৰু |
| **44** | নীতিগতদৃষ্টিভংগী: ক্ৰিপ্টোসম্পত্তিৰওপৰতনীতিৰসন্মতিৰপথ | 23 ফেব্ৰুৱাৰী | বেংগালুৰু |
| **45** | 1ম সাংস্কৃতিককৰ্মগোটৰবৈঠক | 23-25 ফেব্ৰুৱাৰী | খাজুৰাহো |
| **46** | খাজুৰাহোপ্ৰদৰ্শনী | 23 ফেব্ৰুৱাৰী | খাজুৰাহো |
| **47** | 1মবিত্তমন্ত্ৰীআৰুকেন্দ্ৰীয়বেংকৰগৱৰ্ণৰৰবৈঠক | 24-25 ফেব্ৰুৱাৰী | বেংগালুৰু |
| **48** | কৰফাঁকি, দুৰ্নীতিআৰুধনসৰবৰাহৰবিৰুদ্ধেযুঁজদিয়া | 23 ফেব্ৰুৱাৰী | বেংগালুৰু |
| **49** | **মহিলা 20 আৰম্ভণিবৈঠক** | **27-28 ফেব্ৰুৱাৰী** | **ঔৰংগাবাদ** |
| **50** | জি20 বৈদেশিকমন্ত্ৰীৰবৈঠক | 1-2 মাৰ্চ | দিল্লী |
| **51** | 1মদুৰ্নীতিবিৰোধীকৰ্মগোটৰবৈঠক | 1-4 মাৰ্চ | গুৰুগ্ৰাম |
| **52** | ৰাজহুৱাখণ্ডতদুৰ্নীতিৰবিৰুদ্ধেযুঁজিবলৈ | 1 মাৰ্চ | গুৰুগ্ৰাম |

| | | | |
|---|---|---|---|
| | আইচিটিৰসহায়লোৱা | | |
| **53** | বি20 অনুষ্ঠান | 2-3 মাৰ্চ | আইজল |
| **54** | RIIG অনুষ্ঠান (CSIR) | 2-3 মাৰ্চ | ৰাঁচী |
| **55** | 2য়বিত্তীয়অন্তৰ্ভুক্তিৰ বাবেগোলকীয়অংশীদাৰিত্বৰবাবেবৈঠক | 6-7 মাৰ্চ | হাইদৰাবাদ |
| **56** | ডিপিআইৰজৰিয়তেবিত্তীয়অন্তৰ্ভুক্তিক আগুৱাইনিয়াৰওপৰতউদীয়মানঅৰ্থনীতিৰবাবেজ্ঞানআৰুঅভিজ্ঞতাবিনিময় | 6 মাৰ্চ | হাইদৰাবাদ |
| **57** | SAI 20 আৰম্ভণিবৈঠক | 13-15 মাৰ্চ | গুৱাহাটী |
| **58** | B20 অনুষ্ঠান | 15-17 মাৰ্চ | গেংটক |
| **59** | 2য় শিক্ষাকৰ্মগোটৰবৈঠক | 15-17 মাৰ্চ | অমৃতসৰ |
| **60** | উদীয়মানআৰুবিঘ্নিতকাৰীপ্ৰযুক্তিৰগৱেষণা | 16 মাৰ্চ | অমৃতসৰ |
| **61** | ষ্টাৰ্টআপ20 চাইডবৈঠক | 18-19 মাৰ্চ | গেংটক |
| **62** | লেবাৰ 20 আৰম্ভণিবৈঠক | 19-20 মাৰ্চ | অমৃতসৰ |
| **63** | 2য় যৌথস্বাস্থ্যঅৰ্থনীতি কাৰ্যবলৰবৈঠক | 20 মাৰ্চ | ভাৰ্চুৱেল |
| **64** | চিভিল20 আৰম্ভণিবৈঠক | 20-22 মাৰ্চ | নাগপুৰ |

| | | | |
|---|---|---|---|
| **65** | 2য়বহনক্ষমবিত্তকৰ্ম গোটৰবৈঠক | 21-23 মাৰ্চ | উদয়পুৰ |
| **66** | বহনক্ষমবিনিয়োগক সমৰ্থনকৰিবলৈঅ-মূল্যনিৰ্ধাৰণনীতিলৈ উত্তোলন | 21 মাৰ্চ | উদয়পুৰ |
| **67** | 2য়আন্তঃগাঠনিকৰ্ম গোটৰবৈঠক | 24-25 মাৰ্চ | চেন্নাই |
| **68** | জলবায়ুপৰিৱৰ্তনআ ৰুপৰিৱৰ্তনপথৰমে ক্ৰ'অৰ্থনৈতিকপ্ৰভা ৱৰওপৰতG20-COP28 | 25 মাৰ্চ | চেন্নাই |
| **69** | RIIG (DBT) | 24-25 মাৰ্চ | ইটানগৰ-ডিব্ৰুগড় |
| **70** | 2য়পৰিৱেশআৰুজল বায়ুবহনক্ষমতাকৰ্ম গোটৰবৈঠক | 27-29 মাৰ্চ | গান্ধীনগৰ |
| **71** | জলসম্পদব্যৱস্থাপ নাৰওপৰতউত্তমপ দ্ধতি | 27 মাৰ্চ | গান্ধীনগৰ |
| **72** | 1মবাণিজ্যআৰুবিনি য়োগকৰ্মগোটৰবৈঠ ক | 28-30 মাৰ্চ | মুম্বাই |
| **73** | বানিজ্যঅৰ্থনীতি | 28 মাৰ্চ | মুম্বাই |
| **74** | 2য়আন্তঃগাঁথনিকৰ্ম গোটৰবৈঠক | 28-29 মাৰ্চ | বিশাখাপট্টনম |
| **75** | **আন্তঃগাঁথনিশ্ৰেণী বিভাজন** | **28 মাৰ্চ** | **বিশাখাপট্টনম** |
| **76** | 1মমুখ্যবিজ্ঞানউপ দেষ্টাৰঘূৰণীয়ামেজ | 28-29 মাৰ্চ | Ramnagar |
| **77** | 2মকৃষিপ্ৰতিনিধিৰবৈ ঠক | 29-31 মাৰ্চ | চণ্ডীগড় |

| | | | |
|---|---|---|---|
| **78** | AMIS দ্ৰুতসঁহাৰিমঞ্চ | 29 মাৰ্চ | চণ্ডীগড় |
| **79** | 2য় শ্বেৰ্পাবৈঠক | 30 মাৰ্চ-2 এপ্ৰিল | কুমাৰাকম |
| **80** | ডিজিটেলৰাজহুৱা আন্তঃগাঁথনিআৰুসেউজউন্নয়ন | 30 মাৰ্চ | কুমাৰাকম |
| **81** | 1ম দুৰ্যোগৰআশংকাহ্ৰাসকৰ্মগোটৰবৈঠক | 30 মাৰ্চ-1 এপ্ৰিল | গান্ধীনগৰ |
| **82** | আগতীয়াসতৰ্কবাণী আগতীয়াকৈব্যৱস্থালোৱা দুৰ্যোগপ্ৰতিৰোধীআন্তঃগাঁথনি | 30 মাৰ্চ | গান্ধীনগৰ |
| **83** | 2য় আন্তঃৰাষ্ট্ৰীয়বিত্তীয় স্থাপত্যকৰ্মগোটৰবৈঠক | 30-31 মাৰ্চ | পেৰিচ |
| **84** | খণ্ডিতপৃথিৱীতজিএফএছএনকশক্তিশালীকৰা | 30 মাৰ্চ | পেৰিচ |
| **85** | 2য় পৰ্যটনকৰ্মগোটৰবৈঠক | 1-4 এপ্ৰিল | ডাৰ্জিলিং/শিলিগুৰি |
| **86** | দুঃসাহসিকপৰ্যটন | 2 এপ্ৰিল | ডাৰ্জিলিং/শিলিগুৰি |
| **87** | 2য় শক্তিপৰিৱৰ্তনকৰ্মগোটৰবৈঠক | 2-4 এপ্ৰিল | গান্ধীনগৰ |
| **88** | বিশ্বব্যাপীসেউজহাইড্ৰজেনপৰিৱেশতন্ত্ৰ | 2 এপ্ৰিল | গান্ধীনগৰ |
| **89** | 2য়নিয়োগকৰ্মগোটৰবৈঠক | 3-5 এপ্ৰিল | গুৱাহাটী |
| **90** | চায়েঞ্চ 20 অনুষ্ঠান | 3-4 এপ্ৰিল | আগৰতলা |

| | | | |
|---|---|---|---|
| **91** | B20 অনুষ্ঠাব | 4-6 এপ্ৰিল | কোহিমা |
| **92** | G20 সবলীকৰণবৈঠক | 5-6 এপ্ৰিল | তিৰুৱন্তপুৰম |
| **93** | 2য়উন্নয়নকৰ্মগোটৰ বৈঠক | 6-9 এপ্ৰিল | কুমাৰাকম |
| **94** | উন্নয়নৰবাবেতথ্য, মাত্ৰসেউজপৰিৱৰ্তনআৰুLiFE | 6 এপ্ৰিল | কুমাৰাকম |
| **95** | 2য়বিত্তমন্ত্ৰীআৰুকেন্দ্ৰীয়বেংকৰগৱৰ্ণৰৰ বৈঠক | 12-13 এপ্ৰিল | ৱাশ্বিংটনডিচি |
| **96** | এমডিবিসমূহৰজি-20ৰস্বতন্ত্ৰপৰ্যালোচনাৰপৰামৰ্শসমূহকাৰ্যকৰীকৰাৰবাবেৰোডমেপ; ক্ৰিপ্টোসম্পত্তিৰমেক্ৰ’অৰ্থনীতিৰপ্ৰভাৱ | 12 এপ্ৰিল | ৱাশ্বিংটনডিচি |
| **97** | মহিলা 20 বৈঠক | 13-14 এপ্ৰিল | জয়পুৰ |
| **98** | 2য় স্বাস্থ্যকৰ্মগোটৰবৈঠক | 17-19 এপ্ৰিল | গোৱা |
| **99** | মহাকাশঅৰ্থনীতিৰ নেতাসকলৰপূৰ্বসূৰী বৈঠক | 17-18 এপ্ৰিল | শ্বিলং |
| **100** | কৃষিমুখ্যবিজ্ঞানীসকলৰবৈঠক(MACS) | 17-19 এপ্ৰিল | বাৰানসী |
| **101** | 2য় ডিজিটেলঅৰ্থনীতিকৰ্মগোটৰবৈঠক | 17-19 এপ্ৰিল | হাইদৰাবাদ |
| **102** | গোলকীয়প্ৰযুক্তিখণ্ডৰভূমিকা | 17 এপ্ৰিল | হাইদৰাবাদ |
| **103** | ডিজিটেলস্বাস্থ্য | 18 এপ্ৰিল | গোৱা |

নতুন দিল্লী

এপ্রিল 17, 2023